অধ্যায় ৮ ঃ সাহিত্যদর্পণ (দশম পৰিচ্ছেদ)— দৃষ্টান্ত, বিভাৱনা, বিশেষোক্তি, উৎপ্রেক্ষা, সমাসোক্তি, ব্যাজস্তুতি অলঙ্কাৰ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ দৃষ্টান্ত অলঙ্কাৰ

৮.৪ বিভাৱনা অলঙ্কাৰ

৮.৫ বিশেষোক্তি অলঙ্কাৰ

৮.৬ উৎপ্রেক্ষা অলঙ্কাৰ

৮.৭ সমাসোক্তি অলঙ্কাৰ

৮.৮ ব্যাজস্তুতি অলঙ্কাৰ

৮.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.১০ অধিক জানিবলৈ

৮.১১ অগ্রগতিৰ খতিয়ান

৮.১২ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উৎপ্রেক্ষা অলঙ্কাৰৰ বিষয়ে বিশদভাৱে জানিব পাৰিব
- দৃষ্টান্ত অলঙ্কাৰৰ বিষয়ে অৱগত হ'ব পাৰিব
- সমাসোক্তি অলঙ্কাৰৰ বিষয়েও জানিব পাৰিব
- ব্যাজস্তুতি অলঙ্কাৰৰ বিষয়েও আভাস পাব।

৮.২ পৰিচয়

অলঙ্কাৰক যদিও কাব্যৰ এক অপৰিহার্য্য অংশ বুলি ধৰা হয়, কেতিয়াবা অলঙ্কাৰহীন কাব্যৰচনায়ো কাব্যৰ সংজ্ঞা লাভ কৰা দেখা যায়। এই অলঙ্কাৰসমূহ কাব্যৰ যে সৌন্দর্য্যবর্দ্ধক সেই কথা আপুনি আগৰ অধ্যায়সমূহ অধ্যয়ন কৰি বুজিব পাৰিলে। ইয়াৰ উপৰি কাব্যত ব্যৱহাৰ হোৱা বিভিন্ন অলঙ্কাৰ যেনে, উপমা, ৰূপক, অনন্বয়, অপহ্নুতি, নিদর্শনা, অর্থান্তৰন্যাস, বিভাৱনা, বিশেষোক্তি আদি অলঙ্কাৰৰ বিষয়ে বিশদভাৱে আপুনি ইতিমধ্যে জানিব পাৰিলে। এই অধ্যায়টি অধ্যয়ন কৰি আপুনি আৰু কেইটামান গুৰুত্বপূর্ণ অলঙ্কাৰৰ বিষয়ে বিশদভাৱে অৱগত হ'ব পাৰিব। সেইবোৰ হৈছে উৎপ্রেক্ষা, দৃষ্টান্ত, সমাসোক্তি আৰু ব্যাজস্তুতি। এই অধ্যায়টিত অলঙ্কাৰসমূহৰ

বিস্তৃত ব্যাখ্যাৰ বাবে আগৰ অধ্যায়ৰ নিচিনা বিশ্বনাথ কবিৰাজ বিৰচিত 'সাহিত্যদর্পণ' নামৰ গ্ৰন্থখন মুখ্য গ্ৰন্থৰূপে লোৱা হৈছে।

৮.৩ দৃষ্টান্ত অলঙ্কাৰ

বিশ্বনাথ কবিৰাজৰ 'সাহিত্যদর্পণ' নামৰ গ্ৰন্থৰ দশম পৰিচ্ছেদত দৃষ্টান্ত অলঙ্কাৰৰ লক্ষণ নিমোক্ত ধৰণে পোৱা যায়—

"দৃষ্টান্তস্তু সধর্মস্য বস্তুনঃ প্রতিবিম্বনম্।" অর্থাৎ য'ত সমান ধর্ম সম্পন্ন (একে প্রকৃতিৰ) উপমান-উপমেয়ৰূপ বাক্যৰ অর্থৰ নাইবা প্রকৃত-অপ্রকৃত বস্তু দুটাৰ বিম্ব প্রতিবিম্বভাৱ (সাদৃশ্য) দেখা যায়, তাতে দৃষ্টান্ত অলঙ্কাৰ হয়। ইয়াত বস্তু দুটা, কিন্তু দুয়োটা সমধর্মী বা একে প্রকৃতিৰ হয়। 'সাধর্ম্য' (একে প্রকৃতিৰ) আৰু 'বৈধর্ম্য'ৰ (বেলেগ প্রকৃতিৰ) ভিত্তিত দৃষ্টান্ত অলঙ্কাৰ দুই ভাগত বিভক্ত। সাধর্ম্য ভিত্তিক দৃষ্টান্ত অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—

"অৱিদিত গুণাপি সৎকৱিভনিতিঃ কর্ণেষু ৱমতি মধুধাৱাম্,
অনধিগতপৰিমলাপি হৰতি দৃশং মালতীমালা।"

উক্ত পদ্যটিৰ অসমীয়া অর্থ হৈছে যে— ৰচনাৰ গুণৰ বিষয়ে নাজানিলেও শুনামাত্রকে সৎ কবিৰ উক্তিয়ে কাণত অমৃত বৰষে। গোন্ধ নৌপাওঁতেই মালতীমালাই দৃষ্টি আকর্ষণ কৰে। এই পদ্যফাঁকিত কানত অমৃত বৰষা আৰু দৃষ্টি আকর্ষণ কৰা কার্য্য দুটাৰ মাজত সমতা বা সাম্য আছে, কিন্তু দুয়োটা একে নহয়। ইয়াত উপমান-উপমেয়ৰ দৰে বাক্যার্থৰ মাজত মিল বা সাম্য আছে। সেয়েহে সেই সাম্য বিম্ব-প্রতিবিম্বৰূপে প্রতিফলিত হৈছে। সেইবাবেই উক্ত পদ্যটিত সাধ্যর্ম্য ভিত্তিক দৃষ্টান্ত অলঙ্কাৰ হৈছে। বৈধর্ম্য ভিত্তিক দুষ্টান্ত অলঙ্কাৰৰ এটি উদাহৰণ তলত দিয়া হ'ল—

"ত্বয়ি দৃষ্টে কুৰঙ্গাক্ষ্যাঃ ভ্রংসতে মদনব্যথা।
দৃষ্টানুদয়ভাজীন্দৌ গ্লানিঃ কুমুদসংহতেঃ।"

উক্ত পদ্যটিৰ সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ এনেধৰণৰ— ত্বয়ি (তোমাৰ) দৃষ্টে (দর্শনত) কুৰঙ্গাক্ষ্যাঃ (সেই সুন্দৰীৰ) ভ্রংসতে (দূৰ হয়) মদনব্যথা (কাম পীড়া) দৃষ্ট (চাই)-অনুদয়ভাজি (উদয় নোহোৱা) ইন্দৌ (চন্দ্রক) গ্লানিঃ (দুখ হয়) কুমুদসংহতেঃ (ভেটফুলৰ)।

অর্থাৎ, তোমাৰ দর্শনত সেই সুন্দৰীৰ কাম পীড়া দূৰ হয়, চন্দ্রৰ উদয় নেদেখিলে ভেটফুলৰ গ্লানি হয় (দুখ হয়)। ইয়াত মদনব্যথা (কাম পীড়া) আৰু গ্লানি দুয়োটাই সন্তোষৰ বিৰোধী। কিন্তু মদনব্যথা নাশ আৰু গ্লানি থাকি যোৱাৰ বাবে বৈধর্ম্য প্রতিফলিত হৈছে। সেয়েহে উক্ত পদ্যটিত বৈধর্ম্য ভিত্তিক দৃষ্টান্ত অলঙ্কাৰ হৈছে।



জানি থোৱা ভাল

দৃষ্টান্ত অলঙ্কাৰ আৰু অর্থান্তৰন্যাস অলঙ্কাৰৰ মাজত পার্থক্য আছে। অর্থান্তৰন্যাস অলঙ্কাৰত সমর্থ্য (যাক সমর্থন কৰা হয়) আৰু সমর্থক

(যি সমর্থন কৰে) বাক্যার্থৰ মাজত সামান্য - বিশেষ - সম্বন্ধ থাকে। এনে বাক্যার্থৰ এটা সাধাৰণ উক্তি আৰু এটা বিশেষ উক্তি থাকে। কিন্তু দৃষ্টান্ত অলঙ্কাৰত এনে সামান্য - বিশেষ সম্বন্ধ নাথাকে। ইয়াত বস্তু দুটা থাকে কিন্তু দুয়োটা সমধর্মী হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উৎপ্রেক্ষা অলঙ্কাৰৰ লক্ষণ কি?

.....

.....

প্রশ্ন নং ২ ঃ উৎপ্রেক্ষা অলঙ্কাৰ কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ৩ ঃ উৎপ্রেক্ষা অলঙ্কাৰৰ এটি উদাহৰণ লিখক।

.....

.....

.....

প্রশ্ন নং ৪ ঃ দৃষ্টান্ত অলঙ্কাৰৰ লক্ষণ কি লিখক।

.....

.....

প্রশ্ন নং ৫ ঃ দৃষ্টান্ত অলঙ্কাৰ কেই প্রকাৰৰ আৰু কি কি?

.....

.....

প্রশ্ন নং ৬ ঃ দৃষ্টান্ত অলঙ্কাৰৰ এটি উদাহৰণ দিয়ক।

.....

.....

৮.৪ বিভাৱনা অলঙ্কাৰ

বিভাৱনা অলঙ্কাৰৰ লক্ষণ বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্যদর্পণ' নামৰ গ্রন্থৰ দশম পৰিচ্ছেদত এনেদৰে উল্লেখ কৰিছে— "বিভাৱনা বিনা হেতুং কার্য্যোৎপত্তির্যদুচ্যতে।" অর্থাৎ প্রসিদ্ধ কোনো কাৰণ নোহোৱাকৈ কার্য্যৰ উৎপত্তি বর্ণনা কৰিলে বিভাৱনা অলঙ্কাৰ হয়।

বিভাৱনা অলঙ্কাৰৰ ক্ষেত্রত কাৰণ নোহোৱাকৈ কার্য্যৰ উৎপত্তিৰ বিষয়ে বর্ণনা কৰা হয়। আমি জানো যে কাৰণ নোহোৱাকৈ কেতিয়াও কার্য্য হ'ব নোৱাৰে। ইটোৰ লগত সিটোৰ ওতঃপ্রোত সম্বন্ধ। কিন্তু যেতিয়াই কাৰণ নোহোৱাকৈ কার্য্যৰ বর্ণনা কৰা হয়, তেতিয়াই বিভাৱনা অলঙ্কাৰ হয়। অৱশ্যে কিবা এটা অন্য কাৰণ কার্য্যৰ উৎপত্তিৰ মূলতে থকাটো যুক্তিসংগত। সেই

অন্য কাৰণটো কেতিয়াবা উক্ত (কোৱা হয়) থাকে আৰু কোনো ঠাইত অনুক্ত (কোৱা নহয়) থাকে। সেইবাবেই বিভাৱনা অলঙ্কাৰক দুটা ভাগত ভাগ কৰা হৈছে— উক্তনিমিত্ত আৰু অনুক্তনিমিত্ত বিভাৱনা।

উক্তনিমিত্তবিভাৱনা অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—

"অনায়াসকৃশং মধ্যমশঙ্কতৰলে দৃশৌ।
অভূষণমনোহাৰি ৱপূর্ৱয়সি সুভ্রুঃ।।"

উক্ত শ্লোকটিৰ অসমীয়া শব্দার্থ এনেদৰে হয়— আনায়াসকৃশং (চেষ্টা নকৰাকৈ ক্ষীণ) মধ্যম্ (কঁকাল) অশঙ্ক (শঙ্কা বা ভয় নোহোৱাকৈ)- তৰলে (চঞ্চল) দৃশৌ (নয়ন যুগল বা চকু দুটা) অভূষণ (ভূষণ বা অলঙ্কাৰ নোহোৱাকৈ) মনোহাৰি (সুন্দৰ) বপু (শৰীৰ) বয়সি (এই বয়সত) সুভ্রুঃ (সুন্দৰ চেলাউৰি যুক্ত নাৰীৰ অর্থাৎ সুন্দৰীৰ)।

এই শ্লোক ফাঁকিৰ অসমীয়া অনুবাদ এনেধৰণৰ— সুন্দৰীৰ এই বয়সত কঁকাল অনায়াসে কৃশ অর্থাৎ চেষ্টাবিহীন ভাৱে ক্ষীণ, নয়নযুগল শঙ্কা নোহোৱাকৈয়ে চঞ্চল আৰু শৰীৰটি ভূষণ বা অলঙ্কাৰ নোহোৱাকৈয়ে মনোহাৰী হৈছে।

এই শ্লোকটিত কঁকালৰ কৃশত্ব (ক্ষীণ) আদিৰ প্রকৃত কাৰণ উল্লেখ কৰা হোৱা নাই। কিন্তু যৌৱন বয়সকে সেই সেই কার্য্যৰ কাৰণৰূপে কোৱা হৈছে। সেইবাবেই ইয়াত উক্ত নিমিত্ত বিভাৱনা অলঙ্কাৰ হৈছে।

এতিয়া অনুক্তনিমিত্তবিভাৱনা অলঙ্কাৰৰ এটি উদাহৰণ এনেধৰণৰ—

"অনায়াসকৃশং মধ্যমশঙ্কতৰলে দৃশৌ।
অভূষণমনোহাৰি বপুর্ভাতি মৃগীদৃশঃ।।"

ইয়াৰ অর্থ হৈছে— "কঁকাল অনায়াসে-কৃশ, নয়ন যুগল শঙ্কা নোহোৱাকৈ চঞ্চল আৰু মৃগনয়নাৰ শৰীৰটি ভূষণ নোহোৱাকৈ মনোহাৰী হৈ শোভা পাইছে।

উক্ত শ্লোকফাঁকিত শৰীৰৰ মনোহাৰী গুণসমূহৰ বিষয়েহে উল্লেখ কৰা হৈছে। এই গুণসমূহৰ কাৰণবোৰ উল্লেখ কৰা হোৱা নাই। সেইবাবেই ইয়াত অনুক্তনিমিত্তবিভাৱনা অলঙ্কাৰ হৈছে।

৮.৫ বিশেষোক্তি অলঙ্কাৰ

বিশেষোক্তি অলঙ্কাৰৰ লক্ষণ বিশ্বনাথ কবিৰাজ বিৰচিত 'সাহিত্যদর্পণ' নামৰ গ্রন্থত এনেদৰে পোৱা যায়— "সতি হেতৌ ফলাভাবে বিশেষোক্তিঃ।" অর্থাৎ কাৰণ থকা সত্ত্বেও কার্য্যৰ অভাৱৰ বর্ণনাত বিশেষোক্তি অলঙ্কাৰ হয়। এই অলঙ্কাৰত কাৰণ থাকে কিন্তু কার্য্য নেথাকে। যি কাৰণৰ পৰা যি কার্য্য উৎপন্ন হ'ব লাগে তাতকৈ বেলেগ কার্য্যৰ সূচনা হ'লে বিশেষোক্তি অলঙ্কাৰ হয়। এই বিশেষোক্তি অলঙ্কাৰ দুবিধ—

উক্ত— নিমিত্ত বিশেষোক্তি আৰু অনুক্তনিমিত্ত বিশেষোক্তি। উক্তনিমিত্ত বিশেষোক্তি অলঙ্কাৰৰ উদাহৰণ ৰূপে এই শ্লোকফাঁকি উল্লেখ কৰিব পাৰি—

"ধনিনোঽপি নিৰুন্মাদা যুৱানোঽপি ন চঞ্চলাঃ।
প্রভৱোঽপ্যপ্রমত্তাস্তে মহামহিমশালিনঃ।।"

এই শ্লোকফাঁকিৰ প্রতিটো সংস্কৃত শব্দৰ অসমীয়া অর্থ হৈছে— ধনিনোঽপি (ধনী হৈয়ো) নিৰুন্মাদা (উন্মত্ততাশূন্য) যুৱানোঽপি (যুৱক হৈয়ো) ন (নহয়) চঞ্চলাঃ (চঞ্চল) প্রভৱো (প্রভু বা ক্ষমতাশালী) অপি (হৈয়ো) অপ্রমত্তাঃ (প্রমত্ত বা অহংকাৰী নহয়) মহামহিমশালিনঃ (মহামহিমসকল বা সন্মানীয়সকল)।

উক্ত শ্লোকটিৰ অসমীয়া অর্থ হৈছে যে, সেই মহামহিমাশালীসকল ধনী হৈয়ো উন্মাদ নহয়, যুৱক হৈয়ো চঞ্চল নহয়, ক্ষমতাসম্পন্ন হৈয়ো প্রমত্ত নহয়। ইয়াত কোৱা হৈছে যে সেই ব্যক্তিসকল ধনী হৈয়ো অহংকাৰী বা গর্বান্ধ হোৱা নাই, যুৱক বয়সৰ হৈয়ো চঞ্চল হোৱা নাই আৰু ক্ষমতাশালী হৈয়ো প্রমত্ত হোৱা নাই অর্থাৎ ক্ষমতাৰ অপব্যৱহাৰ কৰা নাই। এই শ্লোকটিত কা�ৰণসমূহ উল্লেখ কৰা হৈছে। অর্থাৎ সাধাৰণতে ধনী হ'লে উন্মত্ত হয়। ইয়াত ধনী হোৱা 'কাৰণ', উন্মত্ততা 'কার্য্য'। উক্ত শ্লোকত কাৰণৰ উল্লেখ আছে কিন্তু কার্য্যৰ উল্লেখ নাই। আকৌ এই সকলোবোৰ বৈশিষ্ট্যৰ প্রকৃত কাৰণটো উল্লেখ (উক্ত) কৰা হৈছে, কাৰণটো হ'ল 'মহামহিমশালিত্ব'। সেয়েহে উক্ত শ্লোকটি উক্তনিমিত্তবিশেষোক্তি অলঙ্কাৰৰ উৎকৃষ্ট উদাহৰণ।

এই পদ্যটিৰে চতুর্থ পাদৰ কথাখিনিৰ ঠাইত যদি "কিয়ন্তঃ সন্তি ভূতলে" (অর্থাৎ এনে পুৰুষ ভূতলত কিমান আছে) বুলি পাঠ কৰা হয়, তাত অনুক্তনিমিত্তবিশেষোক্তি অলঙ্কাৰ হ'ব।



জানি থোৱা ভাল

যদি বিভাৱনা আৰু বিশেষোক্তি অলঙ্কাৰক দুটা দৃষ্টিকোণৰ পৰা চোৱা যায় তেনেহ'লে এই দুটাক একে ধৰণৰ বুলিও ক'ব পাৰি। যেনেদৰে, জুই থাকিলেহে ধোঁৱা ওলায়। যদি কোৱা হয় যে জুই নাই কিন্তু ধোঁৱা আছে তেতিয়া তাত কাৰণ নাই কিন্তু কার্য্য আছে। এনে বিবেচনাত বিভাৱনা অলঙ্কাৰ হয়। কিন্তু যদি কোৱা হয় যে ধোঁৱা নাই কিন্তু জুই আছে, তেতিয়া তাত কাৰণ আছে কিন্তু কার্য্য নাই। এনে বিবেচনাত বিশেষোক্তি অলঙ্কাৰ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ বিভাৱনা অলঙ্কাৰ কাক বোলে?

.....

.....

প্রশ্ন নং ৮ ঃ বিভাৱনা অলঙ্কাৰ কেই প্রকাৰৰ আৰু কি কি?

.....

.....

প্রশ্ন নং ৯ ঃ বিশেষোক্তি অলঙ্কাৰৰ লক্ষণ লিখক।

.....

প্রশ্ন নং ১০ ঃ বিশেষোক্তি অলঙ্কাৰ কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন নং ১১ ঃ বিভাৱনা আৰু বিশেষোক্তি অলঙ্কাৰৰ পার্থক্য লিখক।

.....

.....

৮.৬ উৎপ্রেক্ষা অলঙ্কাৰ

বিশ্বনাথ কবিৰাজ ৰচিত 'সাহিত্যদর্পণ' নামৰ গ্রন্থৰ দশম পৰিচ্ছেদত উৎপেক্ষা অলঙ্কাৰৰ লক্ষণ এনেদৰে পোৱা যায়—

"ভবেৎ সম্ভাবনোৎপ্রেক্ষা প্রকৃতস্য পৰাত্মনা।
বাচ্যা প্রতীয়মানা সা, প্রথমং দ্বিবিধা মতা"।।

অর্থাৎ উপমেয়ক (প্রকৃত বস্তুক) উপমান (অন্য বস্তু) বুলি ভাবিলে বা ***সম্ভাৱনা*** কৰিলে উৎপ্রেক্ষা অলঙ্কাৰ হয়। বাচ্য আৰু প্রতীয়মান ভেদে প্রথমে ই দুই প্রকাৰে বিভক্ত। 'ইব' আদি শব্দ প্রয়োগ কৰিলে 'বাচ্য উৎপ্রেক্ষা' আৰু 'ইব' আদি প্রয়োগ নকৰিলে "প্রতীয়মান উৎপ্রেক্ষা" হয়। এই দুই প্রকাৰৰ উৎপ্রেক্ষাই (সম্ভাৱনা) জাতি, গুণ, ক্রিয়া বা দ্রব্য হ'ব পাৰে। গতিকে, ই আঠ প্রকাৰৰ হয়। অর্থাৎ বাচ্য উৎপ্রেক্ষা হয়— জাতিগত, গুণগত, ক্রিয়াগত আৰু দ্রব্যগত। সেইদৰে প্রতীয়মান উৎপ্রেক্ষাও হয়— জাতিগত, গুণগত, ক্রিয়াগত আৰু দ্রব্যগত। এইদৰেই ই সর্বমুঠ আঠ প্রকাৰৰ হয়। এই আঠ প্রকাৰৰ প্রত্যেকৰে জাতি, গুণ আদি ভাৱ পদার্থ (বস্তুতঃ বর্তমান) অথবা অভাৱ পদার্থ (বস্তুতঃ অবর্ত্তমান) হ'ব পাৰে। সেইদৰে এই অলঙ্কাৰ ষোল্ল (১৬) প্রকাৰৰ হয়। এই ষোল্ল প্রকাৰৰ আৰু ভাগ আছে।



সম্ভাৱনা ঃ য'ত এইটো উপমেয় নে উপমান বুলি সন্দেহ হয় কিন্তু উপমান বুলিয়েই তাক চিনি পাবলৈ আগ্রহ বেছি থাকেতাক সম্ভাৱনা বোলে।

উৎপ্রেক্ষা অলঙ্কাৰ ষোল্ল (১৬) প্রকাৰৰ হৈ ***নিমিত্ত***টো গুণস্বৰূপ (গুণৰূপে) অথবা ক্রিয়াস্বৰূপ (ক্রিয়াৰূপে) হয়। গতিকে এই ষোল্ল প্রকাৰ দুগুণ হৈ মুঠতে বত্রিশ (৩২) প্রকাৰৰ উৎপ্রেক্ষা অলঙ্কাৰ হয়গৈ।



নিমিত্ত ঃ যি বিশেষ ধর্ম বা কাৰণৰ কাৰণে সম্ভাৱনা বা অনুমান কৰা হয় সেই ধর্ম বা কাৰণক 'নিমিত্ত' বোলে।

এতিয়া 'ইব' শব্দৰ প্রয়োগত বাচ্য উৎপ্রেক্ষাৰ এটি উদাহৰণ চোৱা যাওঁক। উদাহৰণটো হৈছে—

"ঊৰুঃ কুৰঙ্গকদৃশঃ চঞ্চলচেলাঞ্চলো ভাতি।
সপতাকঃ কনকময়ো বিজয়স্তম্ভঃ ***স্মৰস্যে***ৱ।।"



স্মৰ ঃ কামদেৱ।

উক্ত শ্লোকটিৰ সংস্কৃত শব্দবোৰ অসমীয়া অর্থ হৈছে যে— ঊৰুঃ (উৰুৱে) কুৰঙ্গক (হৰিণী) - দৃশঃ (নয়নাৰ) চঞ্চল (কঁপি থকা) - চেলাঞ্চলো (কাপোৰৰ আগেৰে) ভাতি (শোভা কৰিছে) সপতাকঃ (পতাকা লগোৱা) কনকময়ো (সোণেৰে নির্মিত) বিজয়স্তম্ভঃ (বিজয়ৰ খুটা) স্মৰস্যেৱ (কামদেৱৰ দৰে)। অর্থাৎ, কঁপি থকা কাপোৰৰ আগেৰে সৈতে হৰিণীনয়নাৰ উৰুটোৱে

এনেভাৱে শোভা পাইছে যেন সি সোণেৰে নিৰ্মিত পতাকা লগোৱা কামদেৱৰ বিজয়স্তম্ভ হে। এই পদ্যফাঁকিত বিজয়স্তম্ভ পদে বহুতো বিজয়স্তম্ভৰ ভাৱ মনলৈ আনি দিয়ে। সেই বাবে ইয়াত উৎপ্রেক্ষা অলঙ্কাৰ হৈছে।

এতিয়া 'ইব' শব্দৰ প্রয়োগ নোহোৱা প্রতীয়মান উৎপ্রেক্ষা অলঙ্কাৰৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল।

"শ্রেণীবন্ধাদ্ বিতন্বদ্ভিৰস্তম্ভাং তোৰণস্রজম্।
সাৰসৈঃ কলনির্নাদৈঃ ক্বচিদুন্নমিতাননো।।"

উক্ত শ্লোকটিৰ অসমীয়া অর্থ এনেধৰণৰ হয়— কোনো কোনো ঠাইত তেওঁলোকে মুৰ তুলি দেখিলে যে ৰাজহাঁহবোৰে শ্রেণীবদ্ধ হৈ (আকাশত) স্তম্ভহীন তোৰণমালা ৰচনা কৰি কলধ্বনি তুলি গৈ আছে। এই পদ্যফাঁকিত ৰাজহাঁহৰ জাকটোক মালাৰূপে সম্ভাৱনা কৰা হৈছে। ইয়াৰ উ পৰি 'ইব' আদি শব্দৰ প্রয়োগ নথকাৰ বাবে ইয়াত প্রতীয়মান উৎপ্রেক্ষাঅলঙ্কাৰ হৈছে।

এতিয়া উৎপ্রেক্ষা অলঙ্কাৰৰ ভাগবোৰ তলত উল্লেখ কৰা হ'ল—

১। **বাচ্য উৎপ্রেক্ষা ঃ** ক) জাতিগত বাচ্য উৎপ্রেক্ষা
খ) গুণগত বাচ্য উৎপ্রেক্ষা
গ) ক্রিয়াগত বাচ্য উৎপ্রেক্ষা
ঘ) দ্রব্যগত বাচ্য উৎপ্রেক্ষা

২। **প্রতীয়মান উৎপ্রেক্ষা ঃ** ক) জাতিগত প্রতীয়মান উৎপ্রেক্ষা
খ) গুণগত প্রতীয়মান উৎপ্রেক্ষা
গ) ক্রিয়াগত প্রতীয়মান উৎপ্রেক্ষা
ঘ) দ্রব্যগত প্রতীয়মান উৎপ্রেক্ষা

এই সৰ্বমুঠ আঠ প্রকাৰৰ উৎপ্রেক্ষা অলঙ্কাৰৰ প্রতিটো ভাৱবাচক (বৰ্ত্তমান) বা অভাৱবাচক (অবৰ্ত্তমান) হ'ব সেই এই আঠ প্রকাৰ মুঠতে ষোল্ল (১৬) প্রকাৰৰ হয়। এই ষোল্ল প্রকাৰৰ অলঙ্কাৰ আকৌ গুণবাচক আৰু ক্রিয়াবাচক হয়। গতিকে এই ষোল্ল প্রকাৰ দুটা দুটা ভাগে বিভক্ত হৈ দুগুণ হৈ মুঠতে বত্রিশ (৩২) প্রকাৰৰ হয়গৈ। গতিকে উৎপ্রেক্ষা অলঙ্কাৰক মুঠতে বত্রিশ (৩২) ভাগত ভাগ কৰা হৈছে।

৮.৭ সমাসোক্তি অলঙ্কাৰ

বিশ্বনাথ কবিৰাজ বিৰচিত "**সাহিত্যদর্পণ**" গ্রন্থৰ দশম পৰিচ্ছেদত সমাসোক্তি অলঙ্কাৰৰ লক্ষণ এনেদৰে পোৱা যায়—

"সমাসোক্তিঃ সমৈর্যত্র কার্য্যলিঙ্গবিশেষণৈঃ।
ব্যৱহাৰসমাৰোপঃ প্রস্তুতে হন্যস্য বস্তুনঃ।।"

অর্থাৎ, সমান কার্য্য, সমান লিঙ্গ আৰু সমান বিশেষণ প্রয়োগৰ দ্বাৰা কোনো প্রকৃত পদার্থত অপ্রকৃত পদার্থৰ ব্যৱহাৰ বা অৱস্থাৰ আৰোপ হ'লে সমাসোক্তি অলঙ্কাৰ হয়। এই অলঙ্কাৰৰ

ক্ষেত্রত প্রকৃত বা প্রস্তুত পদার্থৰ ওপৰত সমান কার্য্য, লিঙ্গ বা বিশেষণ প্রয়োগৰ দ্বাৰা অপ্রকৃত বা অপ্রস্তুত বিষয়ৰ ব্যৱহাৰৰ আৰোপ দেখা যায়। সমান কার্য্যৰ দ্বাৰা প্রস্তুতৰ (প্রকৃতৰ) ওপৰত অপ্রস্তুত (অপ্রকৃত) বিষয়ৰ ব্যৱহাৰৰ আৰোপ থকা সমাসোক্তি অলঙ্কাৰৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল—

"ৰ্য্যাধূয় যদ্বসনমম্বুজলোচনায়া
ৰুক্ষজয়োঃ কনককুম্ভৰিলাসভাজোঃ।
আলিঙ্গসি প্রসভমঙ্গমশেষমস্যা
ধন্যস্ত্বমেৰ মলয়াচলগন্ধবাহ।।"

উক্ত শ্লোকফাঁকিত থকা সংস্কৃতশব্দবোৰৰ অসমীয়া অর্থ হ'ল - ব্যাধূয় (গুচাই দি) যৎ (যি) বসনম্ (বস্ত্র, কাপোৰ) অম্বুজলোচনায়াঃ (পদুমফুলৰ নিচিনা চকুযুক্ত নাৰীৰ) ৰুক্ষজয়োঃ (স্তনৰ) কনক (স্বর্ণ) - কুম্ভ (কলহ) - বিলাস (শোভা) - ভাজোঃ (ধাৰণকাৰীৰ) আলিঙ্গসি (আলিঙ্গন কৰিছা) প্রসভম্ (বলেৰে) অঙ্গম্ (অঙ্গ) অশেষং (সকলো) অস্যাঃ (এইজনীৰ) ধন্যঃ (পুন্যবান) ত্বম্ (তুমি) এব (য়ে) মলয়াচলগন্ধবাহ (হে মলয়পর্বতৰ গন্ধবহনকাৰী অর্থাৎ দক্ষিণবতাহ)। উক্ত শ্লোকফাঁকিৰ অসমীয়া অর্থ এনেধৰণৰ— মলয়া বতাহ, তুমিয়েই ধন্য, কিয়নো তুমি এই নলিনাক্ষী সুন্দৰীৰ সোণৰ কলহৰ দৰে বক্ষৰ পৰা কাপোৰ গুচাই এওঁৰ অঙ্গ-প্রত্যঙ্গ আলিঙ্গন কৰিছা। এই কবিতাফাঁকিৰ বর্ণনাত মলয়া বতাহৰ গাত কামাসক্তজনৰ আচৰণ আৰোপ কৰা হৈছে। ইয়াত কামাসক্তজনৰ কার্য্য আৰু বায়ুৰ কার্য্য সমান। এই সমান কার্য্যৰ দ্বাৰা প্রস্তুতৰ (বায়ুৰ) ওপৰত অপ্রস্তুতৰ (কামাসক্তজনৰ) ব্যৱহাৰ আৰোপ কৰা বাবে সমাসোক্তি অলঙ্কাৰ হৈছে। এতিয়া প্রস্তুত-অপ্রস্তুতৰ সমান লিঙ্গত হোৱা সমাসোক্তি অলঙ্কাৰৰ উদাহৰণ এটা চোৱা যাওঁক। উদাহৰণটি এনেধৰণৰ—

"অসমাপ্তজিগীষস্য স্ত্রীচিন্তা কা মনস্বিনঃ।
অনাক্রম্য জগৎ কৃৎস্নং নো সন্ধ্যাং ভজতে ৰৱিঃ।।"

উক্ত শ্লোকফাঁকিৰ সংস্কৃত শব্দসমূহৰ অসমীয়া অর্থ হ'ল— অসমাপ্ত (শেষ নোহোৱাকৈ) - জিগীষস্য (বিজয়ৰ আকাংক্ষা কৰোঁতাৰ) স্ত্রীচিন্তা (নাৰীৰ চিন্তা) কা (কেনেকৈ) মনস্বিনঃ (বীৰ পুৰুষ) অনাক্রম্য (অতিক্রম নকৰাকৈ) জগৎ (পৃথিৱীক) কৃৎস্নং (সমগ্র) নো (নকৰে) সন্ধ্যাং (গধূলি সময় বা সন্ধ্যাক) ভজতে (ভজনা বা প্রার্থনা) ৰবিঃ (সূর্য্যই)। এই পদ্যটিত অসমীয়া অনুবাদ হৈছে, বিজয়ৰ আকাংক্ষা পৰিপূর্ণ নৌহওঁতেই মনস্বী বীৰ পুৰুষৰ স্ত্রীচিন্তা কেনেকৈ হ'ব পাৰে? সমগ্র জগৎ নিজৰ প্রভাৱাধীন নকৰাকৈ সূর্য্যই সন্ধ্যাক ভজনা নকৰে। এই উদাহৰণত কেৱল পুংলিঙ্গ আৰু স্ত্রীলিঙ্গ শব্দ প্রয়োগৰ দ্বাৰাই ৰবি বা সূর্য্য আৰু সন্ধ্যা বা গধূলি সময়ক যথাক্রমে নায়ক-নায়িকাৰূপে কল্পনা কৰা হৈছে। গতিকে লিঙ্গসাম্যৰ ভিত্তিত ইয়াত সমাসোক্তি অলঙ্কাৰৰ ব্যৱহাৰ হৈছে। সমাসোক্তি অলঙ্কাৰৰ প্রস্তুত আৰু অপ্রস্তুতৰ প্রতি আৰোপ হোৱা একে বিশেষণৰ (বিশেষণ - সমতা) ক্ষেত্রত আকৌ তিনিটা কাৰণ বা হেতুৰ পৰা অলঙ্কাৰ হয়। সেই তিনিটা হেতু বা কাৰণ হৈছে— (ক) শ্লিষ্টতা, (খ) সাধৰণতা আৰু (গ) ঔপম্যগর্ভতা।

শ্লিষ্টতাৰ পৰা হোৱা বিশেষণ-সাম্য সমাসোক্তি অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—

"ৰিকসিতমুখীং ৰাগাসঙ্গাদ্ গলত্তিমিৰাবৃতিং
দিনকৰকৰস্পৃষ্টামৈন্দ্রীং নিৰীক্ষ্য দিশং পুৰঃ।
জৰঠলৱলীপাণ্ডুচ্ছায়ো ভৃশং কলুষান্তৰঃ
শ্ৰয়তি হৰিতং হন্ত প্রাচেতসীং তুহিনদ্যুতিঃ।।"

উক্ত শ্লোকফাঁকিত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হ'ল— বিকসিতমুখীং (প্রকাশিত প্রথমভাগ, আনন্দিত মুখযুক্তনাৰীক) ৰাগাসঙ্গাৎ (ৰঙাহোৱা কাৰণে, অনুৰাগৰ কাৰণে) গলত্তিমিৰাবৃত্তিম্ (অন্ধকাৰৰ আৱৰণ নষ্ট কৰা, এন্ধাৰৰ দৰে কাপোৰ পিন্ধা) দিনকৰকৰস্পৃষ্টাম্ (সূর্য্যৰ কিৰণযুক্ত, আন পুৰুষৰ দ্বাৰা স্পর্শ হোৱা) ঐন্দ্রীং (পূব) নিৰীক্ষ্য (চাই) দিশং (দিশক) পুৰঃ (সন্মুখত) জৰঠ (পৰিণত) - লবলী (এই নামৰ ফল) পাণ্ডুচ্ছায়ঃ (পাতল হালধীয়া বর্ণযুক্ত) ভৃশং (অত্যন্ত) কলুষান্তৰং (আন মলিনতা, ঈর্য্যাৰ বাবে আনন্দশূন্য হোৱা) শ্ৰয়তি (গৈছে) হৰিতং (দিশলৈ) হন্ত (হায়) প্রাচেতসীং (পশ্চিম দিশত) তুহিনদ্যুতিঃ (বৰফৰ দৰে কিৰণ যুক্ত অর্থাৎ চন্দ্র)। উক্ত পদ্যফাঁকিৰ অর্থ এনেধৰণৰ—ইন্দ্রদিশ বা পূৱদিশ দিবাকৰৰ ৰশ্মিৰে স্পর্শ কৰা হৈছে, সেই স্পর্শ সুখত বিভোৰ হোৱা পূর্বাশাৰ বিকশিত মুখত বা হাঁহিৰে ভৰা মুখত ৰাগ (অনুৰাগ) প্রকাশিত হৈছে; নিজৰ সন্মুখতে এই দৃশ্য দেখাত শীতলৰশ্মি চন্দ্রৰ অন্তৰ ক'লা পৰি গৈছে আৰু মুখৰ বৰণ বুঢ়া জাতিলাওৰ দৰে শোঁতা হৈ পৰিছে; হায়! বেচেৰা চন্দ্রই এতিয়া বৰুণৰ হালধীয়া দিশত (পশ্চিম দিশ বা মৃত্যুৰ) আশ্রয় লৈছে গৈ। এই পদ্যটিত মুখ, ৰাগ আদি শব্দবোৰ শ্লিষ্ট (দুটা অর্থ থকা)। এই শব্দবোৰৰ দুটাকৈ অর্থ হৈছে আৰু শব্দবোৰ বিশেষণৰূপে ব্যৱহৃত হৈছে। ঐন্দীপাদ পূর্বদিশ আৰু নায়িকা দিনকৰ পদটোৱে ৰবি আৰু উপপতি দুয়োপক্ষে সমানে প্রযোজ্য। সেয়েহে ইয়াত সমাসোক্তি অলঙ্কাৰ হৈছে। এতিয়া সাধাৰণতাৰ পৰা হোৱা বিশেষণ-সাম্যতাৰ সমাসোক্তি অলঙ্কাৰৰ এটি উদাহৰণ চোৱা যাওঁক। উদাহৰণটি হৈছে—

"নিসর্গসৌৰভোদ্ভ্রান্তভৃঙ্গসঙ্গীতশালিনী।
উদিতে ৰাসৰাধীশে স্মেৰাজনি সৰোজিনী।।"

উক্ত শ্লোকফাঁকিত থকা সংস্কৃতশব্দবোৰৰ অসমীয়া অর্থ হ'ল— নিসর্গ (স্বাভাৱিক) - সৌৰভ (গন্ধ) - উদ্ভ্রান্ত (মুগ্ধ হোৱা) - ভৃঙ্গ (ভ্রমৰ) - সঙ্গীতশালিনী (সঙ্গীতযুক্ত) উদিতে (উদয় হলে) বাসৰ-অধীশে (দিনপতিয়ে অর্থাৎ সূর্য্যই) স্মেৰা (হাঁহিযুক্ত মুখ) - অজনি (হৈছিল) সৰোজিনী (পদ্মিনী)। উক্ত পদ্যটিৰ অসমীয়া অর্থ হৈছে যে - সূর্য্য উদয় হ'লত স্বাভাৱিকতে সৌৰভশালিনী সৰোজিনীয়ে (পদুমফুলে) ভোমোৰাৰ গুঞ্জন গীতেৰে গুণগুণাই মিচিকিয়াবলৈ ধৰিলে। এই উদাহৰণটিত স্বাভাৱিক সৌৰভেৰে সৌৰভশালিনী আৰু ভোমোৰাৰ মুখৰিত বিশেষণ প্রস্তুত (প্রকৃত) 'সৰোজিনী' আৰু অপ্রস্তুত (অপ্রকৃত) 'নায়িকা'ৰ প্রতি সমানে প্রযোজ্য হৈছে। ইয়েই সৰোজিনীত 'নায়িকাত্ব' (নায়িকা যেন) আৰোপৰ ধাৰণা জন্মাইছে। কেৱল স্ত্রীসুলভ ধর্ম নায়িকাৰ 'মিচিকিয়াই হঁহা' (স্মেৰত্ব) 'সৰোজিনীৰ বিকাশত' আৰোপ কৰাটো উক্ত নায়িকা যেন ধাৰণাৰ কাৰণ স্বৰূপ হৈ পৰিছে। এনে আৰোপণ নোহোৱাকৈ কেৱল 'নিসর্গ-সৌৰভ' আদি বিশেষণ-

সাম্যৰপৰা সৰোজিনীক যে নায়িকাৰূপে বর্ণনা কৰা হৈছে, সেই ধাৰণা জন্মিব পাৰে। এইবোৰ কাৰণতে উক্ত পদ্যফাঁকিত সমাসোক্তি অলঙ্কাৰ হৈছে।

সাধাৰণ-সাম্যত ঔপম্যগর্ভ সমাসোক্তি অলঙ্কাৰ আকৌ তিনিভাগে বিভক্ত। যেনে—

ক) উপমাগর্ভ বা উপমাস্বৰূপ।

খ) ৰূপকগর্ভ বা ৰূপকস্বৰূপ।

গ) উপমা-ৰূপকৰ ***সঙ্কৰগর্ভ*** বা উপমা ৰূপকৰ ***সঙ্কৰাত্মক***।



সঙ্কৰগর্ভ / সঙ্কৰাত্মক ঃ মিশ্রণ বা সংমিশ্রণ।

৮.৮ ব্যাজস্তুতি অলঙ্কাৰ

এই অলঙ্কাৰৰ লক্ষণ বিশ্বনাথ কবিৰাজে তেওঁৰ 'সাহিত্যদর্পণ' গ্রন্থৰ দশম পৰিচ্ছেদত এনেদৰে নিৰূপণ কৰিছে "উক্তা ব্যাজস্তুতিঃ পুনঃ, নিন্দাস্তুতিভ্যাং বাচ্যাভ্যাং গম্যত্বে স্তুতিনিন্দয়োঃ"। অর্থাৎ য'ত বাচ্যার্থৰূপে প্রকাশিত স্তুতি আৰু নিন্দাৰপৰা যথাক্রমে নিন্দা আৰু স্তুতিৰ প্রতীতি (ধাৰণা) হয়, সেয়ে ব্যাজস্তুতি অলঙ্কাৰ। 'ব্যাজ' শব্দৰ অর্থ হৈছে 'ছল' বা 'কৌশল'। নিন্দাৰ পৰা স্তুতি অর্থৰ বোধ হ'লে ব্যাজেৰে স্তুতি (প্রার্থনা) কৰা হয়। এই বুৎপত্তিৰ পৰা 'ব্যাজস্তুতি' বোলা হৈছে। স্তুতিৰ পৰা নিন্দা অর্থৰ বোধ হোৱা ঠাইত ব্যুৎপত্তি হ'ব "ব্যাজৰূপ স্তুতি"। মুঠতে, ব্যক্ত বা প্রকাশিত নিন্দাৰ দ্বাৰা স্তুতি আৰু ব্যক্ত বা প্রকাশিত স্তুতিৰ দ্বাৰা নিন্দা বুজালে ব্যাজস্তুতি অলঙ্কাৰ হয়। এতিয়া নিন্দাৰ পৰা স্তুতি বা প্রশংসাৰ এটি উদাহৰণ চোৱাযাওঁক। যেনে—

"স্তনযুগমুক্তাভৰণাঃ কণ্টককলিতাঙ্গযষ্টয়ো দেৱ।
ত্বয়ি কুপিতে হপি প্রাগিৱ বিশ্বস্তা ৰিপুস্ত্রিয়ো জাতাঃ।"

উক্ত শ্লোকফাঁকিত থকা সংস্কৃতশব্দবোৰৰ অসমীয়া অর্থ হ'ল— স্তনযুগমুক্তাভৰণাঃ (স্তনযুগ - বক্ষদ্বয়, মুক্ত - পৰিত্যক্ত, আভৰণাঃ অলঙ্কাৰসমূহ) কণ্টককলিতাঙ্গযষ্টয়ঃ (কণ্টক - ৰোমাঞ্চ, কলিত বিয়পি থকা, অঙ্গযষ্টয়ঃ দেহলতা) দেৱ (হে ৰজা) ত্বয়ি (আপুনি) কুপিতে (খঙ কৰিলে) অপি (ও) প্রাক্ (আগৰ) ইব (দৰে) বিশ্বস্তাঃ (বিশ্বাসী) ৰিপুস্ত্রিয়ঃ (শত্রুৰমণী সকল) জাতাঃ (হল)। উক্ত সংস্কৃত শ্লোকটিৰ অসমীয়া অর্থ এনেধৰণে হ'ব, মহাৰাজ! আপুনি ক্রুদ্ধ হ'লে আপোনাৰ শত্রুৰ স্ত্রীসকলে আভৰণ পৰিত্যাগ কৰে আৰু তেওঁলোকৰ সর্বাঙ্গতে কাঁইটৰ দৰে নোম শিঁয়ৰি উঠে। গতিকে তেওঁলোক আগতেই বিধৱা হয়। ইয়াত প্রথমে নিন্দা কৰি কোৱা হৈছে যে ৰজাৰ খণ্ডৰ ভমকত শত্রু ৰমনীসকলে আভৰণ পৰিত্যাগ কৰে। পিছত আকৌ প্রশংসা কৰি কোৱা হৈছে যে ৰজাৰ দ্বাৰা শত্রুসকল পৰাজিত হৈ মৃত্যু বৰণ কৰে। সেই বাবেই উক্ত শ্লোকটিত নিন্দাৰ পৰা প্রশংসাৰে ব্যাজস্তুতি অলঙ্কাৰ হৈছে। এইবাৰ প্রশংসাৰ পৰা নিন্দাৰ ব্যাজস্তুতি অলঙ্কাৰৰ এটি উদাহৰণ তলত উল্লেখ কৰা হ'ল—

"ৰ্ব্যাজস্তুতিস্তৱ পয়োদ ময়োদিতেয়ং
যজ্জীৱনায় জগতস্তৱ জীৱনানি।
স্তোত্রন্তু তে মহদিদং ঘন-ধর্মৰাজ
সাহায্যমর্জ্জয়সি যৎ পথিকান্ নিহত্য।।"

উক্ত শ্লোকফাঁকিত থকা সংস্কৃত শব্দবোৰৰ অসমীয়া অর্থ হ'ল ব্যাজস্তুতিঃ (মিছা প্রশংসা) তব (তোমাৰ) পয়োদ (হে মেঘ) ময়া (মোৰ দ্বাৰা) উদিতা (কথিত) ইয়ং (এয়া) যৎ (যিটো) জীবনায় (জীৱনৰক্ষাৰ বাবে) জগতঃ (জগতৰ) তব (তোমাৰ) জীবনানি (পানীবোৰ) স্তোত্রং (প্রশংসা) তু (হয়) তে (তোমাৰ) মহৎ (মহান) ইদং (এইটো) ঘন (হে মেঘ) ধর্ম্মৰাজ সাহায্যম্ (ধর্ম অনুসৰি ৰাজত্ব কৰা জনৰ অর্থাৎ যমৰ সহায়) অর্জ্জয়সি (অর্জুন কৰিবা) যৎ (যে) পথিকান্ (বিৰহীসকলক) নিহত্য (বিনাশ কৰি)। অর্থাৎ, হে মেঘ জগতৰ প্রাণীসমূহৰ জীৱন ৰক্ষাৰ কাৰণেই তোমাৰ জীৱন (জলধাৰা) বুলি মিচাতেই মই তোমাৰ স্তুতি কৰিছো; কিন্তু বিৰহী পথিকক বধ কৰি তুমি যে ধর্মৰাজৰ সাহায্য কৰা —এই কথা কলেই তোমাৰ মহৎ যশস্যা প্রকাশ হ'ব। উক্ত শ্লোকফাঁকিত প্রথমে মেঘক জীৱন ৰক্ষক বুলি বর্ণনা কৰি প্রশংসা কৰা হৈছে। পিছত আকৌ সেই মেঘকেই বিৰহী পথিকৰ বধ কৰোতা বুলি কোৱা হৈছে। গতিকে পোন প্রথমে মেঘক প্রশংসা কৰি আকৌ পিছত নিন্দা কৰা হৈছে। সেইবাবেই এই শ্লোকটিত প্রশংসাৰ পৰা নিন্দাৰ ব্যাজস্তুতি অলঙ্কাৰ হৈছে।



জানি থোৱা ভাল

সমাসোক্তি আৰু ৰূপক অলঙ্কাৰক একেই যেন লাগিলেও কিন্তু এই দুয়োটাৰ মাজত পার্থক্য আছে। এই দুয়োটা অলঙ্কাৰতে প্রকৃতৰ (উপমেয়ৰ) ওপৰত অপ্রকৃতৰ (উপমানৰ) আৰোপ দেখা যায়। কিন্তু ৰূপক অলঙ্কাৰত অপ্রকৃত (উপমান) প্রধান বা মুখ্য হৈ পৰি প্রকৃতক (উপমেয়ক) ঢাকি থয়। আনহাতেদি সমাসোক্তি অলঙ্কাৰত অপ্রকৃত বস্তুৱে প্রকৃতক প্রথমে ঢাকি থোৱা যেন লাগিলেও শেষত কিন্তু প্রকৃতটো বিশিষ্ট বা প্রধান হৈহে দেখা দিয়ে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১২ ঃ সমাসোক্তি অলঙ্কাৰৰ লক্ষণ কি লিখক।

.....

.....

প্রশ্ন নং ১৩ ঃ সমাসোক্তি অলঙ্কাৰৰ এটি উদাহৰণ দিয়ক।

.....

.....

.....

প্রশ্ন নং ১৪ ঃ ব্যাজস্তুতি অলঙ্কাৰৰ লক্ষণ কি।

.....

.....

প্রশ্ন নং ১৫ ঃ ব্যাজস্তুতি অলঙ্কাৰ কেই প্রকাৰৰ হয় ?

.....



৮.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- কাব্যত ব্যৱহাৰ হোৱা কেইটামান গুৰুত্বপূর্ণ অলঙ্কাৰৰ বিষয়ে এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে।
- অলঙ্কাৰসমূহৰ ভিতৰত উৎপ্রেক্ষা, দৃষ্টান্ত, সমাসোক্তি আৰু ব্যাজস্তুতি অলঙ্কাৰৰ যথেষ্ঠ মহত্ব আছে।
- উক্ত অলঙ্কাৰ কেইটাৰ প্রয়োজনীয়তাৰ বিষয়েও বুজিব পাৰিলে। প্রতিটো অলঙ্কাৰৰ উদহাৰণৰ লগতো পৰিচিত হ'ল।



৮.১০ অধিক জানিবলৈ

১) শাস্ত্রী, ড° বিশ্বনাৰায়ণ,*সাহিত্যদর্পণ*, (১৯৯৯), অনুবাদ আৰু সম্পাদনা, গুৱাহাটী ঃ শৰাইঘাট প্রকাশন।

২) সিদ্ধান্তবাগীশ, হৰিদাস, সম্পাদক, *সাহিত্যদর্পণঃ* (বিশ্বনাথ বিৰচিত), কলিকাতা।



৮.১১ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ উপমেয়ক উপমান বুলি সম্ভাৱনা কৰিলে উৎপ্রেক্ষা অলঙ্কাৰ হয়।

২নং প্রশ্নৰ উত্তৰ ঃ এই অলঙ্কাৰ বিশেষকৈ দুই প্রকাৰৰ। যেনে— বাচ্য উৎপ্রেক্ষা আৰু প্রতীয়মান উৎপ্রেক্ষা।

৩নং প্রশ্নৰ উত্তৰ ঃ উৎপ্রেক্ষা অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—

ঊৰুঃ কুৰঙ্গকদৃশঃ চঞ্চলচেলাঞ্চলো ভাতি।
সপতাকঃ কনকময়ো বিজয়স্তম্ভঃ স্মৰস্যেৱ।।

৪নং প্রশ্নৰ উত্তৰ ঃ য'ত একে প্রকৃতিৰ উপমান-উপমেয়ৰূপ বাক্যৰ অর্থৰ নাইবা প্রকৃত-অপ্রকৃত বস্তু দুটাৰ বিম্ব প্রতিবিম্বভাৱ (সাদৃশ্য) দেখা যায়, তাতে দৃষ্টান্ত অলঙ্কাৰ হয়।

৫নং প্রশ্নৰ উত্তৰ ঃ এই অলঙ্কাৰ দুই প্রকাৰৰ। যেনে— সাধর্ম্য ভিত্তিক দৃষ্টান্ত আৰু বৈধর্ম্য ভিত্তিক দৃষ্টান্ত অলঙ্কাৰ।

৬নং প্রশ্নৰ উত্তৰ ঃ দৃষ্টান্ত অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—

অৱিদিতগুণাপি সৎকৱিভনিতিঃ কর্ণেষু ৱমতি মধুধাৰাম্।
অনধিগতপৰিমলাপি হৰতি দৃশং মালতীমালা।।

৭নং প্রশ্নৰ উত্তৰ ঃ প্রসিদ্ধ কোনো কাৰণ নোহোৱাকৈ কার্য্যৰ উৎপত্তি বর্ণনা কৰিলে বিভাৱনা অলঙ্কাৰ হয়।

৮নং প্রশ্নৰ উত্তৰ ঃ বিভাৱনা অলঙ্কাৰ দুই প্রকাৰৰ। সেয়া হৈছে—

ক) উক্তনিমিত্ত বিভাৱনা অলঙ্কাৰ।
খ) অনুক্তনিমিক্ত বিভাৱনা অলঙ্কাৰ।

৯নং প্রশ্নৰ উত্তৰ ঃ কাৰণ থকা সত্ত্বেও কার্য্যৰ অভাৱৰ বর্ণনাত বিশেষোক্তি অলঙ্কাৰ হয়।

১০নং প্রশ্নৰ উত্তৰ ঃ বিশেষোক্তি অলঙ্কাৰ দুই প্রকাৰৰ—

ক) উক্তনিমিত্ত বিশেষোক্তি।
খ) অনুক্তনিমিত্ত বিশেষোক্তি।

১১নং প্রশ্নৰ উত্তৰ ঃ বিভাৱনা অলঙ্কাৰত কাৰণ নাথাকে কিন্তু কার্য্য থাকে। আনহাতেদি বিশেষোক্তি অলঙ্কাৰত কাৰণ থাকে কিন্তু কার্য্য নাথাকে।

১২নং প্রশ্নৰ উত্তৰ ঃ সমান কার্য্য, সমানলিঙ্গ আৰু সমান বিশেষণ প্রয়োগৰ দ্বাৰা কোনো প্রকৃত পদার্থত অপ্রকৃত পদার্থৰ ব্যৱহাৰ বা অৱস্থাৰ আৰোপ হ'লে সমাসোক্তি অলঙ্কাৰ হয়।

১৩নং প্রশ্নৰ উত্তৰ ঃ সমাসোক্তি অলঙ্কাৰৰ এটি উদাহৰণ হৈছে—

অসমাপ্তজিগীষস্য স্ত্রীচিন্তা কা মনস্বিনঃ।
অনাক্রম্য জগৎ কৃৎস্নং নো সন্ধ্যাং ভজতে ৰৱিঃ।।

১৪নং প্রশ্নৰ উত্তৰ ঃ য'ত বাচ্যার্থৰূপে প্রকাশিত স্তুতি আৰু নিন্দাৰপৰা যথাক্রমে নিন্দা আৰু স্তুতিৰ ধাৰণা হয়, সেয়ে ব্যাজস্তুতি অলঙ্কাৰ।

১৫নং প্রশ্নৰ উত্তৰ ঃ এই অলঙ্কাৰ দুই প্রকাৰে হয় (নিন্দাৰ পৰা স্তুতিৰে আৰু স্তুতিৰ পৰা নিন্দাৰে)।



৮.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ সম্ভাৱনা কি?

প্রশ্ন ২ ঃ বিভাৱনা কি?

খ) চুটি প্রশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ সমাসোক্তি অলঙ্কাৰৰ বিষয়ে লিখক।

প্রশ্ন ২ ঃ ব্যাজস্তুতি অলঙ্কাৰৰ বিষয়ে লিখক।

গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ উদাহৰণৰে সৈতে তলৰ অলঙ্কাৰসমূহ ব্যাখ্যা কৰক—

ক) উৎপ্রেক্ষা অলঙ্কাৰ

খ) দৃষ্টান্ত অলঙ্কাৰ

*** ***** ***